# Second India-New Zealand Bilateral Cyber Dialogue

November 17, 2021

---

# দ্বিতীয় ভাৰত-নিউ জিলেণ্ড দ্বিপক্ষীয় চাইবাৰ আলোচনা

নৱেম্বৰ 17, 2021

1. ভাৰত-নিউজিলেণ্ড দ্বিপক্ষীয় চাইবাৰ আলোচনাৰ দ্বিতীয় সংস্কৰণ 16-17 নৱম্বৰ 2021 তাৰিখে ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত কৰা হয়। ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব বিদেশ বিষয়ক মন্ত্ৰালয়ৰ (এমইএ) পৰা যুটীয়া সচিব (চাইবাৰ সুৰক্ষা), শ্ৰী অতুল মলহাৰী গটচুৰ্ভেয়ে কৰে। নিউ জিলেণ্ডৰ দলৰ সহ-নেতৃত্ব কৰে মিঃ ডেন ইট'ন, পৰিচালক, ৰাষ্ট্ৰীয় সুৰক্ষা নীতি, প্ৰধান মন্ত্ৰী আৰু কেবিনেট বিভাগ (ডিপিএমচি) আৰু মিছেছ জৰ্জিনা চাৰ্গিচনে, কাৰ্যনিৰ্বাহক ইউনিট মেনেজাৰ, উদীয়মান সুৰক্ষা বিষয়, আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা আৰু নিৰস্ত্ৰীকৰণ বিভাগ, বিদেশ বিষয়ক আৰু বাণিজ্য মন্ত্ৰালয় (এমএফএটি)। দুয়োখন দেশৰ বিভিন্ন চৰকাৰী মন্ত্ৰালয় আৰু বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে এই চাইবাৰ আলোচনাত অংশগ্ৰহণ কৰে।

2. এই চাইবাৰ আলোচনাই চাইবাৰস্পেচত বিদ্যমান দ্বিপক্ষীয় সহযোগিতাৰ বিভিন্ন দিশ আলোচনা কৰে, দ্বিপক্ষীয়, আঞ্চলিক আৰু বহুপক্ষীয় মঞ্চত চাইবাৰ বিষয়সমূহৰৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত ভাব বিনিময় কৰে আৰু চাইবাৰ সহযোগিতা অধিক গভীৰ কৰাৰ বাবে পদক্ষেপসমূহ অন্বেষণ কৰে।

3. প্ৰতিনিধি দলকেইটাই পাৰস্পৰিক ৰুচীৰ এক বহল পৰিসৰৰ বিষয়ৰ ওপৰত মিমাংসা কৰে আৰু চাইবাৰ সুৰক্ষা, চাইবাৰ অপৰাধ আৰু ক্ষমতা নিৰ্মাণৰ ক্ষেত্ৰসমূহত ইজনে সিজনৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ সন্মত হয়।

**নতুন দিল্লী**
**নৱেম্বৰ 17, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.